# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
# 0000000000

**Date : 04**-12-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। লোকসভাত আজি বিবেচনা আৰু গ্ৰহণৰ বাবে ৰেলৰে সংশোধনী বিধেয়ক ২০২৪ উত্থাপন কৰা হয়।

২। বিদেশ মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে ভাৰত আৰু চীনৰ মাজত সম্পৰ্ক উন্নত কৰাৰ বাবে সীমান্তৱৰ্তী এলেকাত শান্তি আৰু সুস্থিৰতাত গুৰুত্ব আৰোপ কৰিছে।

৩। ভাৰতৰ বীৰ ন্যাসৰ পৰা বৰ্তমানলৈকে ৫ শ এগৰাকী শ্বহিদৰ পৰিয়াললৈ আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে।

৪। বিজেপি নেতা তথা মহায়ুটী মৰ্চাৰ বিধায়িনী দলৰ নেতা দেবেন্দ্ৰ ফাড়ণবীছে আজি ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণক সাক্ষাৎ কৰে আৰু মহাৰাষ্ট্ৰত চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰে। ***আৰু***

৫। ভাৰত আজি ওমানৰ মাছকটত হবলগীয়া পুৰুষৰ জুনিয়ৰ এছিয় কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত পাকিস্তানৰ সন্মুখীন হ'ব।

০০০০০

লোকসভাত আজি বিবেচনা আৰু গ্ৰহণৰ বাবে ৰেলৰে সংশোধনী বিধেয়ক ২০২৪ উত্থাপন কৰা হয়। এই বিধেয়কখনৰ জৰিয়তে ৰেলৰে বোৰ্ডক বিধিসন্মত ক্ষমতা প্ৰদানৰ লগতে বোৰ্ডক অধিক স্বতন্ত্ৰ কৰি তুলিব খোজা হৈছে। এই বিধেয়কখনে ১৯০৫ চনত ভাৰতীয় ৰেল বোৰ্ড আইনৰ ঠাই লব আৰু ৰেল বোৰ্ডৰ সৈতে জড়িত ব্যৱস্থাসমূহক ১৯৮৯ চনত ৰেল আইনত অন্তৰ্ভুক্ত কৰিব। ইয়াৰ ফলত আইনী পৰিকাথামো সৰল হ'ব আৰু দুয়োখন আইনৰ প্ৰসংগ দৰ্শোৱাৰ আৱশ্যকতা কম হ'ব। বিধেয়কখন উত্থাপন কৰি ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে ৰেল খণ্ডৰ দক্ষতা বৃদ্ধিয়ে এই বিধেয়কখনৰ মূল উদ্দেশ্য। তেওঁ কয় যে বিগত দহ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতীয় ৰেল বিভাগৰ যথেষ্ট উন্নয়ন হৈছে। তেওঁ কয়, যে দহ বছৰ পূৰ্বে ৰেলৰেৰ বাজেট প্ৰায় ২৯ হাজাৰ কোটি টকা আছিল আৰু সম্প্ৰতি এই পৰিমাণ ২ লাখ ৫২ হাজাৰ কোটি টকালৈ বৃদ্ধি পাইছে। বিগত ১০ বছ্ৰত ৪৪ হাজাৰ ৰেলপথৰ বৈদ্যুতিকীকৰণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

বিধেয়খন সন্দৰ্ভত মত প্ৰকাশ কৰি কংগ্ৰেছৰ মনোজ কুমাৰে বিধেয়কখনে ৰেল খণ্ডৰ ব্যক্তিগতকৰণৰ পথ প্ৰশস্ত কৰিব বুলি আশংকা প্ৰকাশ কৰে। তেওঁ লগতে বন্দে ভাৰত ৰেলগাড়ীসমূহৰ টিকটৰ অধিক মূল্যৰ বিষয়টো উত্থাপন কৰে। আলোচনাত ভাগ লৈ বিজেপিৰ ৰবি কিষাণে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৰেল বিভাগে লাভ কৰা সাফল্যসমূহৰ বিষয়ে আলোকপাত কৰে। তেওঁ কয় যে ২০১৪ চনৰ পাছৰে পৰা ৰেলৰেৰ দুৰ্নীতিগ্ৰস্ত ছবিৰ উন্নয়ন ঘটিছে। সমাজবাদী পাৰ্টীৰ নিৰজ মৌৰ্যই ৰেলৰে ব্যক্তিগতকৰণ প্ৰক্ৰিয়াৰ পৰা আঁতৰাই ৰাখিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়। তেওঁ লগতে ৰেল বোৰ্ডে স্বতন্ত্ৰভাৱে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সমৰ্থ হব লাগে বুলি মত প্ৰকাশ

কৰে। আলোচনাত অংশ লৈ শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ অৰবিন্দ গণপত সাৱন্তে ৰেলৱেৰ মাটিত হোৱা বেদখলক লৈ চিন্তা ব্যক্ত কৰে।

০০০০০

চৰকাৰে বিগত ৫ বছৰত দেশৰ ৬০ খন জিলাক বাওপন্থী উগ্ৰবাদৰ বিভিষিকাৰ পৰা মুক্ত কৰা হৈছে বুলি প্ৰকাশ কৰিছে। ৰাজ্যসভাত আজি এটা লিখিত উত্তৰত এই কথা সদৰি কৰি কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে কয় যে, বাওপন্থী উগ্ৰবাদৰ সমস্যা দূৰ কৰাৰ বাবে ৰাষ্ট্ৰীয় নীতি আৰু কাৰ্যপৰিকল্পনাৰ কঠোৰ ৰূপায়ণৰ পাছত হিংসা আৰু উগ্ৰবাদৰ ভৌগলিক সম্প্ৰসাৰণ যথেষ্ট হ্ৰাস পাইছে। মন্ত্ৰীগৰাকীয়ে কয়, যে যোৱা বছৰত বাওপন্থী উগ্ৰবাদজনিত হিংসাৰ ঘটনা ২০১০ চনৰ তুলনাত ৭৩ শতাংশ হ্ৰাস পায়। তেওঁ কয়, যে এনে ঘটনাত নিহত সুৰক্ষা বাহিনী আৰু অসামৰিক লোকৰ সংখ্যাও ২০২৩ চনৰ ১৩৮ লৈ হ্ৰাস পায়। ইয়াৰ উপৰি ২০২৪ চনত এপ্ৰিল পৰ্যন্ত বাওপন্থী উগ্ৰবাদ প্ৰভাৱিত জিলাৰ সংখ্যা ৩৮ লৈ হ্ৰাস পোৱা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে বিগত  বছৰত বাওপন্থী উগ্ৰবাদ প্ৰভাৱিত ৰাজ্যসমূহৰ সামৰ্থ বৃদ্ধিৰ বাবে ৪ হাজাৰ ৩৫০ কোটি টকা মোকলাই দিয়া হৈছে।

০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে ভাৰত আৰু চীনৰ মাজত সম্পৰ্ক উন্নত কৰাৰ বাবে সীমান্তৱৰ্তী এলেকাত শান্তি আৰু সুস্থিৰতাত গুৰুত্ব আৰোপ কৰিছে। চীনৰ সৈতে ভাৰতৰ সম্পৰ্কৰ বিষয়ে আজি ৰাজ্যসভাত সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে অনাগত সময়ত দুয়োখন দেশৰ মাজত হ'বলগীয়া আলোচনাত সীমান্ত এলেকাৰ পৰা সৈন্যৰ প্ৰত্যাহাৰ আৰু ফলপ্ৰসূ সীমান্ত ব্যৱস্থাপনাৰ বিষয় দুটাই স্থান লাভ কৰিব।

২০২০ চনৰ এপ্ৰিল-মে'ত ভাৰতীয় আৰু চীনা সৈন্য বাহিনীৰ মাজত সৃষ্টি হোৱা অচলাবস্থা সন্দৰ্ভত ড০ জয়শংকৰে কয়, যে ২০২০ চনৰে পৰা ভাৰত আৰু চীনৰ মাজৰ সম্পৰ্ক অস্বাভাৱিক হৈ আছে। সেই সময়ত চীনে পূৱ লাডাখৰ বাস্তৱিক নিয়ন্ত্ৰণৰেখাত ভালেসংখ্যক সৈনিক নিয়োজন কৰাক লৈ কেইবাটাও স্থানত সংঘৰ্ষৰ  সূত্ৰপাত হৈছিল। মন্ত্ৰীগৰাকীয়ে কয়, যে এনে পৰিস্থিতিৰ বাবে তহলদাৰী ব্যৱস্থাও বিঘ্নিত হৈছিল। ড০ জয়শংকৰে সশস্ত্ৰ বাহিনীৰ ভূমিকাৰ প্ৰশংসা কৰি কয়, যে প্ৰত্যুত্তৰত পৰিবহন প্ৰত্যাহ্বান আৰু কোৱিডজনিত পৰিস্থিতি স্বত্তেও ভাৰতে ক্ষীপ্ৰ আৰু ফলপ্ৰসুভাৱে সৈন্য মোতায়েন কৰিবলৈ সমৰ্থ হৈছিল। মংন্ত্ৰীগৰাকীয়ে কয় যে ভাৰত আৰু চীনে সীমা সমস্যা সমাধানৰ বাবে কেইবাদশক ধৰি আলোচনা কৰি আছে। সীমান্ত এলেকাৰ আন্তঃগাথনিৰ উন্নয়নৰ প্ৰতি চ ৰকাৰ বদ্ধপৰিকৰ বুলি উল্লেখ কৰি ড° জয়শংকৰে কয়, যে সীমাৱৰ্তী এলেকাৰ আন্তঃগাথনি উন্নয়নৰ বাবে সৈন্য বাহিনীয়ে স্থিতি অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ সমৰ্থ হৈ উঠিছে।

০০০০০

ভাৰতৰ বীৰ ন্যাসৰ পৰা বৰ্তমানলৈকে ৫ শ এগৰাকী শ্বহিদৰ পৰিয়াললৈ আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে। ৰাজ্যসভাত আজি এটা লিখিত উত্তৰত গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে এইকথা প্ৰকাশ কৰে। তেওঁ কয় যে, ন্যাসে শ্বহিদৰ নিকটআত্মীয়সকলে কমেও এক কোটি টকা সাহায্য লাভ কৰাটো নিশ্চিত কৰে। বিবাহিত শ্বহিদৰ পিতৃ-মাতৃকো ন্যাসৰ পৰা ১০ লাখ টকাৰ বিত্তীয় সাহায্য আগবঢ়োৱা হয়।

০০০০০

বিজেপি নেতা তথা মহায়ুটী মৰ্চাৰ বিধায়িনী দলৰ নেতা দেবেন্দ্ৰ ফাড়ণবীছে আজি  ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণক সাক্ষাৎ কৰে আৰু  মহাৰাষ্ট্ৰত চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰে। ৰাজ্যপালক সাক্ষাৎ কৰাৰ সময়ত তত্বাৱধায়ক মুখ্যমন্ত্ৰী আৰু শিৱসেনাৰ নেতা একনাথ সিন্দে আৰু এন চি পিৰ মুৰববী অজিত পাৱাৰে তেওঁক সংগ দিয়ে। ৰাজ্যপালৰ সৈতে হোৱা বৈঠকৰ পাছত সংবাদমেল সম্বোধন কৰি শ্ৰীফাড়ণবীছে কয়, যে ৰাজ্যপালে শিৱসেনা, এন চি পি আৰু মহায়ুটী মৰ্চৰ অংশীদাৰ দলসমূহৰ পৰামৰ্শ গ্ৰহণ কৰিছে আৰু তেওঁ কাইলৈ শপত লবলৈ আমন্ত্ৰণ জনাইছে। কাইলৈ বিয়লি চাৰে পাচ বজাত শপত গ্ৰহণ অনুষ্ঠানৰ সূচী নিৰ্ধাৰণ কৰা হৈছে। শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। শ্ৰীফাড়ণবীছে কয় যে তেও একনাথ সিন্দে আৰু অজিত পাৱাৰৰ সৈতে লগ লাগি কাম কৰিব আৰু মহাৰাষ্ট্ৰক উন্নয়নৰ নতুন শিখৰলৈ লৈ যাব। নিৰ্বাচনী ইস্তাহাৰত কৰা সকলো প্ৰতিশ্ৰুতি পূৰণ কৰা হব বুলি তেওঁ উল্লেখ কৰে।

শ্ৰীসিন্দে সংবাদমাধ্যমক সম্বোধন কৰি কয় যে, নতুন মুখ্যমন্ত্ৰী হিচাপে দেবেন্দ্ৰ ফাড়ণবীছৰ নাম প্ৰস্তাৱ কৰিব পোৱাটো তেওঁৰ বাবে সভাগ্যৰ কথা। ইপিনে, এন চি পিৰ মুৰববী অজিত পাৱাৰে বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰাৰ বাবে দিল্লীলৈ যোৱা বুলি ওলোৱা বাতৰি খণ্ডন কৰিছে। শ্ৰী পাৱাৰে তেওঁৰ পত্নী তথা ৰাজ্যসভাৰ সাংসদ সুনেত্ৰা পাৱাৰক আৱণ্টিত বাসগৃহ নিৰীক্ষণৰ  বাবে দিল্লীলৈ যোৱা বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। তেওঁ লগতে দলীয় প্ৰতীক আৱণ্টনৰ সৈতে জড়িত বিভিন্ন আইনী বিষয় সম্পৰ্কে অধিবক্তাক সাক্ষাৎ কৰা বুলি জানিবলৈ দিয়ে।

ooooo

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৱে  PSLV-C59 প্ৰোবা থ্ৰি মহাকাশ যানৰ বিজুতিৰ বাবে এই উৎক্ষেপন অভিযানৰ সময় পুনৰ নিৰ্ধাৰণ কৰিছে। এই অনুসৰি কাইলৈ বিয়লি ৪ বাজি ১২ মিনিটত এই উৎক্ষেপন কৰা হ'ব। ইছৰোই সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰিছে।

ooooo

ভূটানৰ ৰজা জিগমে খেছৰ নামগ্যাল ৱাংছুক আৰু ৰাণী জেতচুন পেমা ৱাংছুক কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। ভ্ৰমণকালত ভূটানৰ ৰজাগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিব। বিদেশ মন্ত্ৰী ডo এছ জয়শংকৰ আৰু চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলে অভ্যাগত ৰজাগৰাকীক দেখা কৰিব। ভাৰত আৰু ভূটানৰ মাজত বন্ধুত্ব আৰু সহযোগিতাৰ অনন্য সম্পৰ্ক আছে আৰু পাৰস্পৰিক বুজাপৰা আৰু বিশ্বাস এই সম্পৰ্কৰ মূল বৈশিষ্ট। এই ভ্ৰমণে দ্বিপাক্ষিক সহযোগিতাৰ সকলো দিশৰ পৰ্যালোচনা চলাৰ সুযোগ প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

ooooo

২০২৩-২৪ বৰ্ষত গ্ৰাম্য সাক্ষৰতা পঞ্জীয়ন ২০২২-২৩ বৰ্ষতকৈ সামান্য বৃদ্ধি পোৱা বুলি শিক্ষা বিভাগৰ ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধাৰীয়ে প্ৰকাশ কৰে। ৰাজ্য সভাৰ লিখিত প্ৰশ্নোত্তৰ কালত মন্ত্ৰী গৰাকীয়ে কয়, যে গ্ৰাম্য সাক্ষৰতা হাৰ যোৱা ৭৭ শতাংশৰ পৰা   এই বৰ্ষত ৭৭ দশমিক ৫ শতাংশ বৃদ্ধি পাইছে। শিক্ষামন্ত্ৰীগৰাকীয়ে লগতে জানিবলৈ দিয়ে যে ২০২৩-২৪ বৰ্ষত পুৰুষৰ সাক্ষৰতা হাৰ ৮৪ দশমিক ৭ শতাংশলৈ বৃদ্ধি পোৱাৰ বিপৰীতে গ্ৰাম্য মহিলাৰ সাক্ষৰতাৰ হাৰ ৭০ দশমিক ৪ শতাংশলৈ বৃদ্ধি পাইছে।

ooooo

ভাৰত আজি ওমানৰ মাছ্‌কটত হ্‌বলগীয়া পুৰুষৰ জুনিয়ৰ এছিয়  কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত পাকিস্তানৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে আঠ বজাত আৰম্ভ হ'ব। যোৱাবাৰৰ ছেম্পিয়ন ভাৰত এইবাৰৰ প্ৰতিযোগিতাত এখনো খেলত পৰাজিত হোৱা নাই আৰু দলটোৱে একেৰাহে চতুৰ্থবাৰৰ বাবে খিতাপ দখলৰ লক্ষ্যৰে ফাইনেলত অৱতীৰ্ণ হ'ব। ভাৰতে কালি ছেমিফাইনেলত মালয়েছিয়াক ৩-১ গলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। পাকিস্তানে জাপানক ৪-২ গলত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

সমাপ্ত